ক্ৰীড়া

বিৰাট কোহলীৰ ৭৪ ৰানৰ দুৰ্দান্ত ইনিংছ; অৰ্শদীপ সিঙৰ ৪টা উইকেট, শৃংখলাত ১-০ ব্যৱধানত আগবাঢ়িল ভাৰত

বৰষুণে বিঘ্নিত প্ৰথম এদিনীয়াত নিউজিলেণ্ডক ৫ উইকেটত পৰাস্ত কৰিলে ভাৰতে।

প্ৰকাশ: ৪ নৱেম্বৰ ২০২৬, আবেলি ৫:২৯



(ANI)

অকলেণ্ড, ৪ নৱেম্বৰঃ নিউজিলেণ্ডৰ বিৰুদ্ধে বৰষুণে বিঘ্নিত কৰা প্ৰথমখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট মেচত ৫ উইকেটত জয়লাভ কৰিছে ভাৰতে। বুধবাৰে অকলেণ্ডৰ Eden Parkত অনুষ্ঠিত মেচখনত বিৰাট কোহলীৰ ৫১টা বলত ৭৪ ৰানৰ আকৰ্ষণীয় ইনিংছৰ সহায়ত ভাৰতে Duckworth-Lewis-Stern (DLS) পদ্ধতিত ১৪৩ ৰানৰ সংশোধিত লক্ষ্য অতিক্ৰম কৰে। এই জয়ৰ ফলত পাঁচখন মেচৰ শৃংখলাত ১-০ ব্যৱধানত অগ্ৰগতি লাভ কৰিছে ভাৰতীয় দলে।

প্ৰথমে বেটিং কৰি নিউজিলেণ্ডে ৪০.২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৮৫ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ টিম ছেইফার্টে সৰ্বাধিক ৩৮ ৰান কৰে। ব্লেয়াৰ টিকনাৰে ২৩টা বলত ৩৪ ৰানৰ আক্ৰমণাত্মক ইনিংছ খেলে। গ্লেন ফিলিপছে ৩০ আৰু ডেৰিল মিচেলে ২৮ ৰান সংগ্ৰহ কৰে।

ভাৰতৰ হৈ অৰ্শদীপ সিঙে ১০ অভাৰত ৭০ ৰান দি ৪টা উইকেট দখল কৰে। গুৰনুৰ ব্ৰাৰে ৯.২ অভাৰত ৪৪ ৰান দি ৩টা আৰু অংশুল কম্বোজে ১০ অভাৰত মাত্ৰ ২২ ৰান দি ২টা উইকেট লাভ কৰে।

বৰষুণৰ বাবে ভাৰতৰ ইনিংছত দুবাৰকৈ খেল বন্ধ কৰিবলগীয়া হয়। আৰম্ভণিতে ৰোহিত শর্মা মাত্র ৬টা বল খেলি শূন্য ৰানত আউট হয়। তাৰ পাছত বিৰাট কোহলী আৰু অধিনায়ক শুভমন গিলে দ্বিতীয় উইকেটত গুৰুত্বপূর্ণ যুটি বান্ধে। দুয়োজনে ১১৪ ৰান যোগ কৰে। গিলে ৫৬টা বলত ৩৭ ৰান কৰি আউট হয়।

বৰষুণৰ বাবে DLS পদ্ধতিত ভাৰতৰ লক্ষ্য ৩২ অভাৰত ১৪৩ ৰানলৈ হ্রাস কৰা হয়। কোহলীয়ে ৫১টা বলত ৭৪ ৰান সংগ্রহ কৰি দলৰ জয়ৰ পথ সহজ কৰে। তেওঁৰ ইনিংছত আছিল ১৩টা চাৰি। শেষত ভাৰতে ২২.৪ অভাৰত ৫টা উইকেট হেৰুৱাই ১৪৩ ৰান সংগ্রহ কৰি জয় নিশ্চিত কৰে।

নিউজিলেণ্ডৰ হৈ জেকব ডাফীয়ে ৭ অভাৰত ৪৯ ৰান দি ৩টা উইকেট দখল কৰে। আনহাতে, অংশুল কম্বোজক তেওঁৰ নিয়ন্ত্রিত বলিঙৰ বাবে মেচখনৰ শ্রেষ্ঠ খেলুৱৈ হিচাপে নির্বাচিত কৰা হয়। শৃংখলাৰ দ্বিতীয়খন এদিনীয়া ৭ নৱেম্বৰত ৱেলিংটনত অনুষ্ঠিত হ’ব।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/718/india-beat-new-zealand-rain-hit-first-odi